**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হৈছে।

২। নতুন দিল্লীত চলি থকা সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠকত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে অধ্যক্ষতা কৰিছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই আজি নতুন দিল্লীত ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি আৰু মানৱ সম্পদ ২০২২-২৩ৰ বাৰ্ষিক প্ৰতিবেদন মুকলি কৰে।

৪। উচ্চতম ন্যায়ালয়ত কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত যোৱা মাহত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ সৈতে জড়িত গোচৰৰ শুনানি চলি আছে।

**আৰু**

৫। জম্মু কাশ্মীৰৰ ৰাজৌৰী জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত আজি পুৱা সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুটা উগ্ৰপন্থী নিহত হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হৈছে। দুয়োগৰাকী নেতাই ভাৰত আৰু সংযুক্ত আৰৱ আমিৰীৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ ব্যাপক ক্ষেত্ৰসমূহৰ সন্দৰ্ভত আলোচনা কৰিব।

আবুধাবিৰ ৰাজকুমাৰগৰাকী কালি তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। তেওঁ ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰাৰ কথা আছে। তেওঁ কাইলৈ মুম্বাইত এখন বাণিজ্যিক সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত দুয়োখন দেশৰ বাণিজ্যিক কৰ্ণধাৰসকলে অংশগ্ৰহণ কৰিব। বিগত কেইবছৰমানত ভাৰত আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ ব্যাপক কৌশলগত মিত্ৰতা, ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰযুক্তি, শিক্ষা আৰু সংস্কৃতিকে ধৰি ব্যাপক পৰিসৰত সম্পৰ্ক গভীৰ হৈ পৰিছে। ৰাজকুমাৰগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক অধিক সুদৃঢ় কৰি তোলাৰ লগতে বিভিন্ন নতুন ক্ষেত্ৰত মিত্ৰতাৰ সুযোগ মুকলি কৰিব।

০০০০০০০

সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত চলি আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে এই বৈঠকত অধ্যক্ষতা কৰিছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত এই পৰিষদৰ পূৰ্বৰ বৈঠকত ষ্টীল, লো আৰু এলুমিনিয়ামৰ সকলো গাখীৰৰ কেনত ১২ শতাংশ জি এছ টি ধাৰ্য কৰা

হৈছিল। বৈঠকত ভাৰতীয় ৰে'লৱেই প্ৰদান কৰা বিভিন্ন সেৱাসমূহত জি এছ টি আৰোপ নকৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছিল। এই সেৱাসমূহৰ ভিতৰত প্লেটফৰ্ম টিকট বিক্ৰী, ৰিটায়াৰিং ৰূম, জিৰণি চ'ৰা আৰু বেটাৰী চালিত বাহনৰ সেৱা আদি আছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই আজি নতুন দিল্লীত ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি আৰু মানৱ সম্পদ ২০২২-২৩ৰ বাৰ্ষিক প্ৰতিবেদন মুকলি কৰে। এই প্ৰতিবেদনখনে প্ৰতি বছৰৰ ৩১ মাৰ্চলৈকে দেশৰ স্বাস্থ্য আন্তঃগাঁথনি আৰু মানৱ সম্পদৰ বিস্তৃত তথ্য প্ৰকাশ কৰে। তথ্যসমূহে সমগ্ৰ দেশৰ স্বাস্থ্য আন্তঃগাঁথনিৰ ফলপ্ৰসূ পৰিকল্পনা, নিৰীক্ষণ আৰু পৰিচালনাৰ বিষয়ে প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত এই তথ্যসমূহ স্বাস্থ্যখণ্ডৰ অংশীদাৰসকলৰ বাবে গুৰুত্বপূৰ্ণ।

প্ৰতিবেদন মুকলি শ্ৰী চন্দ্ৰই কয় যে, এইখনেই হৈছে স্বাস্থ্যসেৱাৰ জনশক্তি আৰু আন্তঃগাঁথনিৰ সৈতে জড়িত প্ৰামাণিক আৰু নিৰ্ভৰযোগ্য তথ্য। তেওঁ লগতে কয় যে, ই সমগ্ৰ ৰাজ্যসমূহৰ স্বাস্থ্যকেন্দ্ৰৰ বিশ্লেষণ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বাবে গুৰুত্বপূৰ্ণ। প্ৰতিবেদন অনুসৰি যোৱা বছৰৰ ৩১ মাৰ্চলৈকে দেশত এক লাখ ৬৯ হাজাৰতকৈও অধিক উপকেন্দ্ৰ, প্ৰায় ৩২ হাজাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, ৬ হাজাৰ ৩৫৯টা সামূহিক স্বাস্থ্যকেন্দ্ৰই গাঁৱৰ লগতে চহৰৰ জনসাধাৰণক স্বাস্থ্য সেৱা প্ৰদান কৰি আহিছে। তদুপৰি এহেজাৰ ৩৪০খন মহকুমা আৰু জিলা চিকিৎসালয়, ৭১৪ খন জিলা চিকিৎসালয় আৰু ৩৭২ খন চিকিৎসা মহাবিদ্যালয় আছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ত আজি কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত যোৱা মাহত এগৰাকী ৩১ বছৰীয়া চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ সৈতে জড়িত গোচৰৰ শুনানি চলি আছে। উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাক অহা মঙলবাৰে এই গোচৰৰ নতুন প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। সংস্থাটোৱে কয় যে, এইমছ আৰু অন্যান্য গৱেষণাগাৰসমূহে সুকীয়াকৈ ফৰেনচিক অধ্যয়ন কৰিব। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰৰ বিচাৰপীঠে বিষয়টোৰ ওপৰত শুনানি গ্ৰহণ কৰি আছে। ছলিচিটৰ জেনেৰেল তুষাৰ মেহতা কেন্দ্ৰীয় সংস্থাটোৰ হৈ হাজিৰ হোৱাৰ বিপৰীতে জ্যেষ্ঠ অধিবক্তা কপিল চিবালে পশ্চিমবংগ চৰকাৰক প্ৰতিনিধিত্ব কৰিছে।

০০০০০০০

ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আজিৰে পৰা উত্তৰ প্ৰদেশৰ আগ্ৰাত চিন্তন শিৱিৰ শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যালোচনা সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনত দেশৰ প্ৰান্তীয় সম্প্ৰদায়সমূহৰ উন্নয়নৰ লক্ষ্যৰে বিভিন্ন আঁচনি তথা নীতি ৰূপায়ণ সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সামাজিক ন্যায় আৰু সমাজ কল্যাণ বিভাগসমূহৰ লগতে শীৰ্ষ বিষয়া আৰু অন্যান্য মুখ্য অংশীদাৰীসকলৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ডঃ বীৰেন্দ্ৰ কুমাৰে চিন্তন শিৱিৰৰ অধ্যক্ষতা কৰিব। অনুষ্ঠানত বিভাগটোৰ ৰাজ্য মন্ত্ৰী ক্ৰমে বি এল ৱাৰ্মা আৰু ৰামদাস আথাৱালেৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকিব। এই সন্মিলনৰ উদ্দেশ্যে হৈছে মূলতঃ ৰাজ্যিক পৰ্যায়ত সামাজিক ন্যায় সম্পৰ্কীয় আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰা।

০০০০০০০

চলিত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে দেশত বৰ্তমানলৈকে প্ৰায় ১ কোটি ৭৯ লাখ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীৰ অধীনত ২০ লাখৰো অধিক পৰিপূৰক আহাৰ সম্পৰ্কীয় কাৰ্যসূচী ৰূপায়ণৰ তথ্য লাভ কৰা হৈছে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে যে, দেশৰ বিভিন্ন ৰাজ্যৰ ৭৫৬ খন জিলাত সক্ৰিয়ভাৱে সজাগতামূলক অভিযান চলোৱাৰ লগতে জনসাধাৰণক পৰিপুষ্টি সন্দৰ্ভত অৱগত কৰোৱা হৈছে। উল্লেখযোগ্য যে, যোৱা ১ ছেপ্তেম্বৰত আৰম্ভ হোৱা এই পোষন মাহৰ ৩০ ছেপ্তেম্বৰত অন্ত পৰিব। গুজৰাটৰ পৰা এই এমহীয়া অভিয়ান আৰম্ভ কৰা হৈছিল। এই অভিযানৰ জৰিয়তে সমগ্ৰ দেশতে এনিমীয়া, সন্তুলিক বিকাশ, পৰিপূৰক আহাৰ আদিকে ধৰি **পোষণ ভি পঢ়াই ভি** কাৰ্যসূচীৰ লগতে উন্নত প্ৰশাসনৰ বাবে প্ৰযুক্তি আদি বিষয়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি এই অভিযানৰ জৰিয়তে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত পৰিৱেশ সংৰক্ষণৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হৈছে।

দক্ষিণ শালমৰা মানকাচৰ জিলাৰ ফেকামাৰী সংহত শিশু উন্নয়নৰ প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত আজি ২০৪ খন অংগনৱাড়ী কেন্দ্ৰক লৈ আনুষ্ঠানিকভাৱে পোষণ মাহৰ শুভাৰম্ভ কৰা হয়।

০০০০০০০

দেশত নতুনকৈ বলৱৎ হোৱা তিনিখন আইনৰ বিষয়ে সাংবাদিকসকলৰ মাজত সজাগতা বৃদ্ধি কৰিবলা দক্ষিণ শালমৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাত তিনিখন নতুন আইন ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। এই আলোচনাত জিলা সত্ৰ ন্যায়াধীশ, জিলা আইনসেৱা প্ৰাধিকাৰীৰ সচিব, লগতে আৰক্ষী বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

জম্মু কাশ্মীৰৰ ৰাজৌৰী জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত আজি পুৱা সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুটা উগ্ৰপন্থী নিহত হয়। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে ৰাজৌৰী জিলাৰ নাউচেৰাৰ লাম ছেক্টৰত কালি নিশা গুলীয়াগুলি আৰম্ভ হয়। উল্লেখযোগ্য যে আন্ধাৰৰ সুবিধা লৈ উগ্ৰপন্থী কেইটাই অনুপ্ৰৱেশ কৰিবলৈ চেষ্টা চলাই থকা আছিল। সেনা বাহিনীৰ লোকসকলে উগ্ৰপন্থীকেইটাৰ গতিবিধি লক্ষ্য কৰি গুলীয়াবলৈ আৰম্ভ কৰে। ইফালে কান্‌চি অভিযানৰ সময়ছোৱাত যথেষ্ঠ সংখ্যক অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হৈছে বুলি সেনা বাহিনীৰ তৰফৰ পৰা জানিবলৈ দিছে।

০০০০০০০

ৰাজস্থানৰ বিকানীৰৰ মহাজন ফিল্ড ফায়াৰিং ৰেঞ্জত ভাৰত আৰু আমেৰিকান সেনাবাহিনীৰ সংযুক্ত অনুশীলন আজি পুৱাৰে পৰা আৰম্ভ হৈছে। অনুশীলনৰ পূৰ্বে পেৰেড সমাৰোহ অনুষ্ঠিত কৰা হয়। এই যুদ্ধ অনুশীলনত ভাৰতীয় সেনাবাহিনীৰ দক্ষিণ পশ্চিম কামাণ্ডৰ সেনা আৰু আমেৰিকাৰ মুঠ এহেজাৰ ২০০ গৰাকী সেনাই অংশগ্ৰহণ কৰিছে। দুয়োখন দেশৰ সেনাই ১৫ দিন ধৰি যুদ্ধৰ বিভিন্ন ৰণনীতিৰ অনুশীলন কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

সমাপ্ত